# হে ৰাম !



প্ৰকাশক -
দৰ্শন বিভাগ
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ
ধুবুৰী ঃঃ অসম

Scanned with OKEN Scanner

177

# হে ৰাম!

LIBRARY DEPARTMENT OF PHILOSOPHY P.B. COLLEGE GAURIPUR
Date : ..................
Accession No. ......... 177

সম্পাদক
আমিনুৰ ইছলাম, শ্যামল চন্দ্ৰ সৰকাৰ, দিগম্বৰ চন্দ্ৰ নাথ
দৰ্শন বিভাগ,
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ (অসম)

Scanned with OKEN Scanner

# Hey Ram !

Edited by-
Aminur Islam,
Shyamal Ch. Sarkar
Digambar Ch. Nath

ISBN 978-81-928411-7-5

কৃতজ্ঞতা স্বীকাৰ—
Zand Educational & Research Foundation, Gauripur

প্ৰথম প্ৰকাশ
২০১৮

প্ৰকাশক
দৰ্শন বিভাগ,
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ

মুদ্ৰণ
ছিদ্দিক অফছেট প্ৰিণ্টিং প্ৰেছ, গৌৰীপুৰ (বেপাৰীপুট্টী)
জিলা ঃ ধুবুৰী (অসম)
পিন- ৭৮৩৩৩১
E-mail : Abusiddique157@gmail.com
Phone : 8876130698, 7002705600

মুল্য ঃ ১৫০.০০ টকা মাত্ৰ

# সূচীপত্ৰ


১। হে ৰাম .................. ১

*ড° শ্যামল চন্দ্ৰ সৰকাৰ*

২। মহাত্মা গান্ধীজীৰ জীৱন, বৃত্তি আৰু সংগ্ৰাম .................. ৯

*মেহেৰুন নেছা*

৩। ধৰ্ম আৰু ঈশ্বৰ সম্পৰ্কে গান্ধীজীৰ ধাৰণা .................. ২২

*নাজৰিণ চুলতানা পাৰবিন*

৪। গান্ধীজীৰ সপোনৰ ৰামৰাজ্য .................. ৪০

*জেছমিনা খাতুন*

৫। গান্ধীজী আৰু তেওঁৰ অহিংসা নীতিৰ ভূমিকা .................. ৬২

*ছামিমুল ইছলাম মণ্ডল*

৬। গান্ধীজীৰ বুনিয়াদি শিক্ষাৰ মৌলিক নীতি .................. ৭৯

*বেগম উম্মা হাবিবা*

৭। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু মহাত্মা গান্ধীৰ বন্ধুত্ব ............... ৯৭

*দিগম্বৰ চন্দ্ৰ নাথ*

৮। মহাত্মা গান্ধী আধুনিক ভাৰতৰ এক বিস্ময়কৰ ঘটনা .................. ১০৩

*আমিনুৰ ইছলাম*


Scanned with OKEN Scanner

## কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু মহাত্মা গান্ধীৰ বন্ধুত্ব

*দিগম্বৰ চন্দ্ৰ নাথ*

মহাত্মা গান্ধী মহৎ আৰু সৎ ৰ প্ৰতীক। গান্ধীজী ভাৰতৰ প্ৰাণ সৰূপ। ৰবীন্দ্ৰনাথ ঠাকুৰ ভাৰতৰ গৌৰৱ, বিশ্ব কবি যাৰ পৰিচয়। গান্ধী আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ পৰস্পৰে প্ৰতি পৰস্পৰৰ শ্ৰদ্ধাৰ অন্ত নাছিল। কিন্তু কিছুমান বিষয়ৰ ওপৰত দুয়োজনৰ মতৰ অমিল পৰিলক্ষিত হৈছিল যদিও এই অমিল দুয়োজনৰ মাজত থকা গভীৰ সম্পৰ্কত কোনো বাধা হব পৰা নাছিল। বৰঞ্চ দুয়োজনৰ মাজত থকা মিলে তেওঁলোকৰ ঘনিষ্ঠতা দিনক দিনে বৃদ্ধি কৰিছিল।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু মহাত্মা গান্ধীৰ চিন্তা-দৰ্শনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো আছিল যে তেওঁলোকে যিবোৰ কথা ভাবিছিল, সেইবোৰ কথাই অইন মানুহকো ভাবিবলৈ বাধ্য কৰাইছিল আনকি, তেনে ভাবনাৰ দ্বাৰা মানুহৰ মাজত অনেক পৰিবৰ্তন আনিবলৈও সম্ভৱ কৰি তুলিছিল।

দুজন ব্যক্তিৰ মাজত থকা গভীৰ মিল যে য'তে ততে পৰস্পৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব তেনে কথা সঠিক নহয়। কিন্তু, ৰবীন্দ্ৰনাথৰ 'যদি তোৰ ডাক শুনে কেও না আসে তবে একলা চলো ৰে' গানটিয়ে গান্ধীৰ শেষ বয়সত প্ৰায় দৈনন্দিন জপ কৰা মন্ত্ৰৰ দৰে আছিল । তাৰোপৰি, ৰবীন্দ্ৰনাথ লিখা আন এটা গান—' জীৱন যখন শুকায়ে যায় কৰুণা ধাৰায় এসো' গান্ধীৰ ক্ষুব্ধ শ্ৰান্ত মনত সৰ্বদাই অনুপ্ৰেৰণা যোগাই আহিছিল। গান্ধী যিটো বিষয় সত্য বা সঠিক বুলি ভাবি লৈছিল, তাক তেওঁ দৃঢ়ভাৱে সাবটি ধৰি ৰাখিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৈতে গান্ধীজীৰ পৰিচয় হোৱাৰ পূৰ্বৰ পৰাই গান্ধীজী সৰ্বশক্তি দি অকলশৰীয়াকৈ হলেও দৃঢ়তা আৰু কষ্টদায়ক পৰিস্থিতিৰ মাজেদিও সত্যকেই লালন পালন কৰিছিল।



গান্ধীজী দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ স্থগিত ৰাখি যেতিয়া পৰিবাৰ আৰু ফিনিক্স বিদ্যালয়ৰ কিছু শিক্ষাৰ্থী ভাৰতত পদাৰ্পণ কৰিছিল, তেতিয়া তেওঁলোক আটায়ে আহি শান্তিনিকেতন পাইছিল। তেতিয়ালৈকে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৈতে গান্ধীজীৰ ভাল পৰিচয় নাছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৈতে গান্ধীজীৰ পৰিচয় কৰাই দিয়া মানুহ জন আছিল—চি এফ এণ্ড্ৰুজ। তেওঁৰ মধ্যস্থতা আৰু ব্যৱস্থাপনাতেই গান্ধী নিজৰ পৰিবাৰসহ ফিনিক্স বিদ্যালয়ৰ শিক্ষাৰ্থীক লগত লৈ শান্তিনিকেতনত আগমন কৰিছিল। শান্তিনিকেতনত গান্ধীজীৰ প্ৰথম আগমন কালত ৰবীন্দ্ৰনাথ উপস্থিত নাছিল। কিন্তু গান্ধীৰ আগমনৰ কথা জানিব পাৰি কলকতাৰ পৰা চিঠিযোগে এণ্ড্ৰুজক জনাই দিছিল যে গান্ধীজী তথা তেওঁৰ সংগী সকলক যাতে ভালদৰে আৰু যথোপযুক্তভাৱে সম্বৰ্দ্ধনা দিয়াৰ ব্যৱস্থা কৰা হয়। পিছত উভয়ৰ মাজত সাক্ষাৎ হয় আৰু এই সাক্ষাৎ বা পৰিচয়ে দুয়োৰে মাজত নিবিড় সম্পৰ্ক গঢ়ি উঠে। এই সম্পৰ্ক দিনক দিনে অধিক গভীৰ হৈ পৰে।

১৯২১ চনত যেতিয়া গান্ধীজী অসহযোগ আন্দোলনৰ প্ৰস্তুতি লয়, তেতিয়া ৰবীন্দ্ৰনাথ ঠাকুৰৰ এই বিষয়ত গান্ধীৰ সৈতে মতভেদৰ সৃষ্টি হয়। দুয়োজন মহান ব্যক্তিত্বৰ মাজত সৃষ্টি হোৱা এই মতভেদে এণ্ড্ৰুজক অস্বস্তিত পেলাই দিয়ে। কাৰণ, এণ্ড্ৰুজ গান্ধী আৰু ৰবীন্দ্ৰনাথৰ মাজত মতভেদ সৃষ্টি হোৱাটো কেতিয়াও বিচৰা নাছিল। পৰৱৰ্তীতে বিষয়টোলৈ উভয়ৰ মাজত সাক্ষাৎ হয় আৰু দীৰ্ঘসময় আলোচনাত মিলিত হয়। এই আলোচনাৰো ব্যৱস্থা কৰি দিছিল এণ্ড্ৰুজ। আনকি দীৰ্ঘসময় ধৰি হোৱা আলোচনা কালত একমাত্ৰ এণ্ড্ৰুজৰ বাহিৰে আৰু অইনকোনো ব্যক্তি তাত উপস্থিত নাছিল। পিছৰ দিনবোৰতো গান্ধী আৰু ৰবীন্দ্ৰনাথৰ মাজত যোগাযোগকাৰী একমাত্ৰ ব্যক্তিজন আছিল এণ্ড্ৰুজ। এণ্ড্ৰুজ এই দুই মহান ব্যক্তিত্বৰ অতি বিশ্বাসী আৰু শ্ৰদ্ধাৰ পাত্ৰ আছিল। গান্ধীজী আৰু কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ সম্পৰ্কে এণ্ড্ৰুজে তেওঁৰ 'Mahatma Gandhi At work, London, 1931' কিতাপত উল্লেখ কৰিছিল—' If health permits, it is still my hope in a further volume to trace out in perspective the historical background of Rabindranath Tagore. This two outstanding personalities- Tagore & Gandhiji are the living examples in our own generation whereby the west may test its capacity to understand the east.'

Scanned with OKEN Scanner